**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-07-2025 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি একেৰাহে তৃতীয় দিনাও সংসদৰ দুয়োখন সদনৰ কাম-কাজ ব্যাহত হয়।

২। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী মনসুখ মন্দাৰিয়াই আজি লোকসভাত ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক, ২০২৫ উত্থাপন কৰে।

৩। ভাৰত-ব্ৰিটেইন দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ব্ৰিটেইন অভিমুখে ৰাওনা হৈছে।

৪। নৌসেনাৰ ইষ্টাৰ্ণ ফ্লীটৰ অন্তৰ্গত চাৰিখন যুদ্ধ জাহাজ- INS Delhi, INS Shakti, INS Satpura আৰু INS Kiltan আজি ছিংগাপুৰ বন্দৰত উপস্থিত হয়।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজিৰ পৰা অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত হৈছে।

০০০০০০০

বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি একেৰাহে তৃতীয় দিনাও সংসদৰ দুয়োখন সদনৰ কাম-কাজ ব্যাহত হয়। বিৰোধী পক্ষৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাত বিশেষ সংশোধন আৰু বিভিন্ন বিষয় লৈ আলোচনাৰ বাবে দাবী জনায়।

লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ পূৰ্বে দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ২ বজাত নিম্ন সদন দ্বিতীয়বাৰৰ বাবে পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে আৰু সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্লʼগান দিবলৈ ধৰে। অধ্যক্ষৰ আসনত থকা সদস্যগৰাকীয়ে প্ৰতিবাদৰত সদস্যসকলক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। সদনত আজি গোৱাৰ বিধানসভা সমষ্টিসমূহত অনুসূচিত জনজাতিৰ প্ৰতিনিধিত্বৰ পুনৰ সংযোজন বিধেয়ক, ২০২৪ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে সকলো সদস্যই নিয়ম-শৃংখলা বজাই ৰখা উচিত বুলি অধ্যক্ষৰ আসনত থকা সদস্যগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ইতিমধ্যে অধিৱেশনৰ দুটাকৈ গুৰুত্বপূৰ্ণ দিন ক্ষতি হৈছে আৰু বিৰোধী পক্ষই এই বিধেয়কক লৈ আলোচনাৰ বাবে অনুমতি দিব লাগে। ইয়াৰ পূৰ্বে লোকসভাৰ কাৰ্যক্ৰমণিকা প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাত বিশেষ সংশোধন আৰু বিভিন্ন বিষয় লৈ আলোচনাৰ বাবে দাবী জনাই ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ সংশোধনৰ প্ৰক্ৰিয়া প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে যুৱ-পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালন বিধেয়ক-২০২৫ আৰু ৰাষ্ট্ৰীয় ডপিং প্ৰতিৰোধী সংশোধনী বিধেয়ক-২০২৫ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সন্ধ্যা ৰয়ে শূন্য কালৰ কাম-কাজ আগবঢ়াই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী একাংশ সাংসদে ধ্বনি দি সদনৰ মজিয়ালৈ উঠি যায়। শ্ৰীমতী ৰয়ে বিৰোধী পক্ষই উত্থাপন কৰা বিষয়সমূহক লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি উল্লেখ কৰে যদিও তেওঁলোকে সদনৰ কাম-কাজ ব্যাহত কৰে। অচলাৱস্থা দূৰ নোহোৱাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ আগেয়ে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকালৰ কাম আৰম্ভ কৰে যদিও বিৰোধী পক্ষৰ সদস্যসকলে একেই বিষয় লৈ আলোচনাৰ দাবী জনাই ধ্বনি দিবলৈ ধৰে। লোকসভাৰ অধ্যক্ষই প্ৰশ্নকালৰ কাম-কাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনাই যদিও তেওঁৰ চেষ্টা অথলে যায়। হুলস্থূলীয়া পৰিস্থিতিৰ বাবে অধ্যক্ষই সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইপিনে, কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত উচ্চ সদনতো অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ নিজৰ দাবীৰ সমৰ্থনত ধ্বনি দি সদন উত্তাল কৰি তোলে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে শ্ৰীতিৱাৰীয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে।

০০০০০০০

কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী মনসুখ মন্দাৱিয়াই আজি লোকসভাত ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালন বিধেয়ক, ২০২৫ উত্থাপন কৰে। এই বিধেয়কখনৰ জৰিয়তে দেশত ক্ৰীড়াৰ বিকাশ আৰু বিস্তাৰ ঘটোৱা ক্ৰীড়াবিদসকলৰ কল্যাণৰ বাবে আঁচনি গ্ৰহণ আৰু সু-শাসনৰ নীতিৰ অধীনত ক্ৰীড়া নীতিৰ নীতিগত সংশোধন ঘটাবলৈ বিচৰা হৈছে। বিধেয়কখন উত্থাপন কৰি ক্ৰীড়ামন্ত্ৰী মন্দাৱিয়াই কয়, যে এই বিধেয়কখনত অলিম্পিক আৰু আন ক্ৰীড়া সমাৰোহত নিহিত থকা নীতিগত প্ৰমূল্য আৰু খেলুৱৈসুলভ মনোভাৱ অন্তৰ্ভুক্ত কৰাৰ লগতে পেৰা অলিম্পিক আৰু আন্তৰ্জাতিক ক্ষেত্ৰৰ আদৰ্শনীয় নিয়মাৱলী আৰু আইনগত দিশসমূহ কাৰ্যকৰী কৰাৰ দিহা কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰস্তাৱিত ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক গৃহীত হ'লে ক্ৰীড়া সম্পৰ্কীয় ওজৰ-আপত্তিসমূহ একত্ৰিত, সকলোৰে গ্ৰহণযোগ্য আৰু কাৰ্যকৰী ৰূপত নিষ্পত্তি কৰিব পৰা যাব।

০০০০০০০

তাৎক্ষণিক চিকিৎসা আগবঢ়োৱাৰ বাবে বিগত তিনি বছৰত ১৬ লাখৰো অধিক ৰে'লকৰ্মীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে সকলোবোৰ ৰে'ল ষ্টেচন আৰু যাত্ৰীবাহী ৰে'লত জীৱনদায়িনী ঔষধ থকা একোটা চিকিৎসা বাকচ, সামগ্ৰী আৰু অক্সিজেন চিলিণ্ডাৰ ৰখাৰ বাবে নিৰ্দেশনা জাৰি কৰা হৈছে। তেওঁ লগতে কয়, যে ৰোগীয়া যাত্ৰী তথা দুৰ্ঘটনাত আহত যাত্ৰীসকলক চিকিৎসালয়লৈ নিয়াৰ বাবে ৰে'লৰে, ৰাজ্য চৰকাৰ আৰু ব্যক্তিগত চিকিৎসালয়ৰ এম্বুলেঞ্চসেৱা ব্যৱহাৰ কৰা হয়। ৰে'ল ষ্টেচনসমূহৰ নিকটৱৰ্তী চিকিৎসালয় আৰু চিকিৎসকৰ সৈতে যোগাযোগ নম্বৰসমূহৰ তালিকাও সকলো ৰে'লৰে ষ্টেচনতে উপলব্ধ কৰোৱা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতৰ এটা শক্তিশালী তথ্য প্ৰযুক্তি ব্যৱস্থা আছে, যাৰ বাৰ্ষিক ৰাজহ হৈছে ২৫ হাজাৰ কোটি ডলাৰ। এই তথ্য প্ৰযুক্তি খণ্ডই ৬০ লাখৰো অধিক লোকক সংস্থাপন প্ৰদান কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত শ্ৰী বৈষ্ণৱে কয়, যে ষ্টেনফোৰ্ড এ আই ৰেংকিঙত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা দক্ষতা, সামৰ্থ্য আৰু কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰৰ নীতিৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশসমূহৰ সৈতে স্থান লাভ কৰিছে। তেওঁ কয়, যে ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা ৰণনীতি, সমগ্ৰ দেশতে প্ৰযুক্তিৰ ব্যৱহাৰক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শনৰ ওপৰত আধাৰিত আৰু ইয়াৰ উদ্দেশ্য হৈছে – ইয়াৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰা আৰু সকলো ভাৰতীয় নাগৰিকৰ বাবে অৰ্থনৈতিক তথা নিয়োগৰ সুযোগ সৃষ্টি কৰা।

০০০০০০০

ভাৰত-ব্ৰিটেইন দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ব্ৰিটেইন অভিমুখে ৰাওনা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীক আজি ব্ৰিটেইনৰ প্ৰবাসী ভাৰতীয়সকলে আদৰণি জনাব। অসম, গুজৰাট, বিহাৰ আৰু ওড়িশাৰ সাংস্কৃতিক অনুষ্ঠানেৰে শ্ৰী মোদীক আদৰণি জনোৱা হ'ব। লণ্ডনত থকা কালছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ সৈতে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰিব।

এই ভ্ৰমণকালত শ্ৰী মোদীয়ে ইংলেণ্ডৰ ৰজা তৃতীয় চাৰ্লছক সাক্ষাৎ কৰিব।

ইংলেণ্ডত তিনিদিনীয়া ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী মোদী মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ আমন্ত্ৰণ মৰ্মে অহা ২৫ জুলাইত দেশখনৰ ৰাজধানী মালেত উপস্থিত হ'ব। মালদ্বীপত দুদিনীয়া ভ্ৰমণকালত শ্ৰী মোদীয়ে উভয় দেশৰ ব্যৱসায়ী জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০

নৌসেনা বাহিনীৰ ইষ্টাৰ্ণ ফ্লীটৰ অন্তৰ্গত চাৰিখন যুদ্ধ জাহাজ- INS Delhi, INS Shakti, INS Satpura আৰু INS Kiltan আজি ছিংগাপুৰ বন্দৰত উপস্থিত হয়। দক্ষিণ-পূব এছিয়াত নৌ বাহিনীৰ সামৰিক গতি-বিধিৰ অংশ হিচাপে ছিংগাপুৰলৈ যোৱা এই যুদ্ধ জাহাজকেইখনৰ নেতৃত্বত আছে ৰিয়েৰ এডমিৰেল সুশীল মেনন।

ভাৰতীয় নৌ বাহিনী আৰু ছিংগাপুৰ নৌ বাহিনীৰ মাজত সামুদ্ৰিক সহযোগিতা অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যে সেই দেশত উপস্থিত হোৱা ভাৰতীয় যুদ্ধ জাহাজকেইখনৰ মুৰব্বী ৰিয়েৰ এডমিৰেল মেননে ছিংগাপুৰস্থিত ভাৰতীয় উচ্চায়ুক্ত শিল্পক আম্বুলে আৰু ছিংগাপুৰৰ নৌবাহিনীৰ ফ্লীট কমাণ্ডাৰগৰাকীৰ সৈতে আলোচনাত মিলিত হয়। দুয়োদেশৰ মাজৰ সামৰিক আলোচনাত ভাৰত আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বি-পাক্ষিক সহযোগিতাৰ নতুন সুযোগৰ অন্বেষণ কৰা হয়। এই ভ্ৰমণকালতে ভাৰতীয় নৌ-বাহিনীয়ে ছিংগাপুৰৰ ক্ৰাঞ্জি যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰাৰ লগতে দ্বিতীয় মহাযুদ্ধৰ সময়ত ছিংগাপুৰত প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকসকলৰ স্মৃতিতো ছিংগাপুৰ নৌ বাহিনীৰ ইষ্টাৰ্ণ ফ্লীটে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ভাৰতীয় নৌ বাহিনীৰ 'চাগৰ' কাৰ্যসূচীৰ অধীনত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সুস্থিৰতা স্থাপনৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই চাৰিদিনীয়া ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে।

০০০০০০০

আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ পাছত সংশ্লিষ্ট কৰ্তৃপক্ষই কাৰিকৰী প্ৰয়োজনীয়তা আৰু পূৰ্বে নিৰ্ধাৰিত নীতি-নিয়ম অনুসৰি দুৰ্ঘটনাত নিহতসকলক চিনাক্ত কৰে। এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনা সন্দৰ্ভত ব্ৰিটেইনৰ এখন সংবাদপত্ৰত প্ৰকাশিত তথ্যক লৈ সংবাদ মাধ্যমৰ জিজ্ঞাসাৰ প্ৰতি সঁহাৰি জনাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে সকলোবোৰ মৃতদেহ অতি পেছাদাৰীগতভাৱে আৰু সন্মান সহকাৰে ৰখা হয়। তেওঁ লগতে কয়, যে ভাৰতে এইক্ষেত্ৰত যিকোনো ধৰণৰ সহায়-সহযোগৰ বাবে ব্ৰিটেইন কৰ্তৃপক্ষৰ সৈতে নিৰন্তৰ যোগাযোগত আছে।

০০০০০০০

**সমাপ্ত**